# শ্ৰীনিবাস ৰামানুজন আয়েংগাৰ
## অসমীয়া

**প্ৰশ্ন ১ : উত্তৰ লিখা :**

**(ক) প্ৰাচীন কালৰ কেইজনমান ভাৰতীয় গণিতজ্ঞৰ নাম লিখা।**

**উত্তৰ :** বৰাহমিহিৰ, আৰ্যভট্ট, ব্ৰহ্মগুপ্ত, শ্ৰীপতি, শ্ৰীধৰাচাৰ্য, মহাবীৰ আৰু ভাস্কৰাচাৰ্য।

**(খ) ৰামানুজনৰ সম্পূৰ্ণ নাম কি ?**

**উত্তৰ :** শ্ৰীনিবাস ৰামানুজন আয়েংগাৰ।

**(গ) ৰামানুজনৰ ঘৰ ক'ত আছিল ?**

**উত্তৰ :** তামিলনাডুৰ তাঞ্জোৰ জিলাৰ ইবোদ নামৰ গাঁওখনত।

**(ঘ) ৰামানুজনে কোনটো বিষয় আটাইতকৈ ভাল পাইছিল ? তেওঁ কোনটো বিষয়ত বৰ দুৰ্বল আছিল ?**

**উত্তৰ :** গণিত বিষয়টো আটাইতকৈ ভাল পাইছিল। ইংৰাজী বিষয়ত বৰ দুৰ্বল আছিল।

**(ঙ) ৰামানুজনে কি আৱিষ্কাৰ কৰিছিল ?**

**উত্তৰ :** গণিতৰ নতুন সূত্ৰ আৱিষ্কাৰ কৰিছিল।

**(চ) ৰামানুজনৰ সময়ৰ ইংলেণ্ডৰ বিখ্যাত গণিতজ্ঞজনৰ নাম কি ?**

**উত্তৰ :** গড়ফ্ৰে হেবল্ড হাৰ্ডি।

**(ছ) ৰামানুজনে ইংলেণ্ডত কি সন্মান লাভ কৰিছিল ?**

**উত্তৰ :** "ৰয়েল চছাইটি" আৰু "ট্ৰিনিটি কলেজ"ৰ 'সভ্য'ৰ সন্মান লাভ কৰিছিল।

**প্ৰশ্ন ২ : বৈদিক সভ্যতা ক'ত গঢ়লৈ উঠিছিল ?**

**উত্তৰ :** সিন্ধু নদীৰ পাৰত।

**প্ৰশ্ন ৩: কোন যুগত ভাৰতৰ বুকুত গণিত শাস্ত্ৰই ঠন ধৰি উঠে ?**

**উত্তৰ :** বৈদিক সভ্যতাৰ যুগত।

**প্ৰশ্ন ৪ : হাইস্কুল শিক্ষান্ত পৰীক্ষাত গণিতত বিশেষ পাৰদৰ্শিতা দেখুওৱাৰ বাবে ৰামানুজনে কি বৃত্তি লাভ কৰিছিল ?**

**উত্তৰ :** 'সুব্ৰহ্মাণ্যম' বৃত্তি লাভ কৰিছিল।

**প্ৰশ্ন ৫ : ৰামানুজনে কলেজীয়া পৰীক্ষাত কিয় উত্তীৰ্ণ হ'ব নোৱাৰিলে ?**

**উত্তৰ :** ইংৰাজী বিষয়ত দুৰ্বল আছিল বাবে।

**প্ৰশ্ন ৬ : বাক্য ৰচনা কৰা :**

**ঠন ধৰা, শ্ৰীবৃদ্ধি, অনায়াসে, একাণপতীয়া**

**উত্তৰ :** ঠন ধৰা : বৰষুণ পাই ফুলৰ পুলিবোৰ ঠন ধৰি উঠিছে।

শ্ৰীবৃদ্ধি : গণিত শাস্ত্ৰৰ শ্ৰীবৃদ্ধি সাধনত ৰামানুজনে উল্লেখনীয় বৰঙণি দি থৈ গৈছে।

অনায়াসে : ল'ৰাজনে কঠিন অংকটো অনায়াসে কৰি পেলালে।

একাণপতীয়া : একাণপতীয়াকৈ লাগি থকা মানুহে কামত কৃতকাৰ্যতা লাভ কৰে।

**প্ৰশ্ন ৭ : তলৰ শব্দবোৰৰ অৰ্থ লিখা :**

**ঠন ধৰা, জাতিষ্কাৰ, শ্ৰীবৃদ্ধি, পাৰদৰ্শিতা, অৰিহণা, স্মৃতি, অনায়াসে, স্তম্ভিত, ৰূপ, একাণপতীয়া, উৎকৃষ্ট, কুটিল, গবেষণা।**

**উত্তৰ :**

| **শব্দ** | **অৰ্থ** |
|---|---|
| ঠন ধৰা | গা কৰি উঠা, সঁজাল ধৰা, জীপ ধৰা। |
| জাতিষ্কাৰ | জকমকীয়া, সু-সজ্জিত। |
| শ্ৰীবৃদ্ধি | উন্নতি, কৃতকাৰ্যতা। |
| পাৰদৰ্শিতা | নিপুণতা, পটুতা। |
| অৰিহণা | দক্ষিণা, বৰঙণি। |
| স্মৃতি | মনত থকা, সোঁৱৰণ। |
| অনায়াসে | অলপ চেষ্টাতে, হেলাৰঙে। |
| স্তম্ভিত | আচৰিত হোৱা, চমক খোৱা। |
| ৰূপ | মনোযোগ, অনুৰাগ, স্পৃহা। |
| একাণপতীয়া | একেটা কথাত কাণ পাতি থকা, একান্ত মনে লাগি থকা। |
| উৎকৃষ্ট | শ্ৰেষ্ঠ, উত্তম। |
| কুটিল | কপটীয়া, দুষ্ট, ভাঁজ থকা। |
| গৱেষণা | গভীৰ চিন্তাৰে কৰা অধ্যয়ন। |